জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮৭/২০২১

# গীতানগৰস্থিত শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

**দিছপুৰ, ১৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ গীতানগৰস্থিত শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰ শান্তি আশ্ৰমত আয়োজিত এক অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ২৪ অৱতাৰ চিহ্নিত বস্ত্ৰ উন্মোচন কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ দিনটো গৌৰৱ, আনন্দময় আৰু মঙ্গলময় দিন। কিয়নো আজিৰ দিনটোতে শ্ৰীকৃষ্ণৰ ২৪ অৱতাৰ বস্ত্ৰ উন্মোচন কৰা হৈছে। এই বস্ত্ৰৰ জৰিয়তে উঠি অহা প্ৰজন্মই শ্ৰীকৃষ্ণৰ ২৪ অৱতাৰৰ বিষয়ে জ্ঞাত হোৱাৰ সুযোগ লাভ কৰিব। অসমৰ আধ্যাত্মিক জীৱনধাৰা শক্তিশালীকৰণৰ দিশত শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰই বিশেষ অৰিহণা যোগাই আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে যুৱ-উশৃংখলতা ৰোধৰ ক্ষেত্ৰত দক্ষিণপাট সত্ৰই বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। কৰ্মময় শিক্ষাৰ প্ৰসাৰৰ দিশতো সত্ৰখনে ভূমিকা লৈ আহিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে স্মাৰ্ট চিটিৰ অধীনত দক্ষিণপাট সত্ৰ শান্তি আশ্ৰমৰ উন্নয়নৰ বাবে ১৪ কোটি টকাৰ অনুমোদন জনোৱা হৈছে। ইয়াৰে ৭ কোটি টকা ৰাজ্য চৰকাৰে আৰু ৭ কোটি টকা কেন্দ্ৰীয় চৰকাৰে বহন কৰিব। তেওঁ লগতে কয় যে এই সত্ৰৰ চৌপাশৰ চৌহদ আৰু বৈদ্যুতিক সংযোজনৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

অনুষ্ঠানত শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী ননীগোপাল দেৱগোস্বামীয়েও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল আৰু বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱা প্ৰমুখ্য ভকতবৃন্দ উপস্থিত থাকে।

উক্ত অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে 'অৱতাৰ আৰু অৱতাৰবাদ' শীৰ্ষক গ্ৰন্থ এখনো উন্মোচন কৰে।

**পুঃডেঃ**
**১৯-১২-২০২১**